Total number of printed pages–3

**14 (ASM–2) 2016**

**2021**

**ASSAMESE**

Paper : ASM–2016

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। (ক) ইংৰাজী ৰোমান্টিক কবিতাতকৈ অসমীয়া ৰোমান্টিক কবিতা কি কি ক্ষেত্ৰত পৃথক, তাৰ এটি আলোচনা আগবঢ়োৱা। ১৫

*অথবা*

(খ) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'অজেয়' কবিতাৰ বিষয় আৰু ভাষা সম্পৰ্কে আলোচনা কৰা। ৭+৮=১৫

২। (ক) ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতিৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

*Contd.*

*অথবা*

(খ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত অতীন্দ্ৰিয়বাদৰ প্ৰকাশ সম্পৰ্কে আলোচনা কৰা। ১৫

৩। (ক) নীলমণি ফুকনৰ 'ওলমি থকা গোলাপী জামুৰ লগ্ন' কবিতাৰ কল্পচিত্ৰ আৰু ও প্ৰতীকৰ প্ৰয়োগ সম্পৰ্কে বিবৰি লিখা। ৭+৮=১৫

*অথবা*

(খ) হেম বৰুৱাৰ কবিতা জয়ন্তী যুগৰ প্ৰতিনিধিস্থানীয় কবি সকলতকৈ ভাষা-আংগিকত কিদৰে পৃথক, পাঠৰ আধাৰত ফঁহিয়াই দেখুওৱা। ১৫

৪। (ক) আনিছ উজ জামানৰ 'আই তোৰ আন্ধাৰৰ হাত ভঙা' কবিতাৰ ভাষা আৰু প্ৰতীকৰ প্ৰয়োগ সম্পৰ্কে লিখা। ৭+৮=১৫

*অথবা*

(খ) সমীৰ তাঁতীৰ কবিতাত মাৰ্ক্সীয় চেতনাৰ প্ৰতিফলন কিদৰে ঘটিছে 'মোৰ প্ৰতিটো দিন আৰু প্ৰতিটো ৰাতিৰ আৰম্ভনি' কবিতাটোৰ জৰিয়তে বিশ্লেষণ কৰা। ১৫

৫। চমুটোকা লিখা ঃ ***(যিকোনো চাৰিটা)*** ৫×৪=২০

(ক) 'লীৰিকেল বেলাডছ'ৰ পাতনি

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত ভাৰতীয় ব্ৰজবুলি সাহিত্যৰ উপাদান

(গ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰ ছন্দ

(ঘ) সম্ৰাট ঃ আধুনিক ৰাষ্ট্ৰৰ ক্লীৱত্বৰ প্ৰতীকী প্ৰকাশ

(ঙ) 'দুখৰ কবিতা'ত পৰোক্ষ উল্লেখ (Allusion)

(চ) হীৰেন্দ্ৰনাথ দত্তৰ কবিতাত সমাসোক্তি (Personification)-ৰ ব্যৱহাৰ

*Total number of printed pages–3*

**14 (ASM–2) 2026**

**2021**

**ASSAMESE**

Paper : ASM–2026

***( Assamese Prose )***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। (ক) "অৰুনোদইৰ গদ্যৰ দৰে আনন্দৰামৰ গদ্য 'কেঁচুৱাৰ ঠুনুক-ঠানাক মাত' নহয়; অৰুনোদইৰ গদ্যৰ দৰে কেৱল কোমলতাৰে পৰিপূৰ্ণ হৈ নাথাকি আনন্দৰামৰ গদ্যই কোমলে-কঠিনে মিলি এটা নতুন ৰূপ লৈছে।" — কথাষাৰ বিচাৰ কৰা। ১৫

*অথবা*

(খ) "বৰ্ণনাত্মক আৰু ব্যাখ্যাত্মক গুণে ৰত্নেশ্বৰ মহন্তৰ গদ্যক পাঠকৰ পক্ষে সহজে বোধগম্য কৰি তুলিছে।" — তোমাৰ পাঠৰ আধাৰত কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰা। ১৫

*Contd.*

২। (ক) লক্ষ্মীনাথ বেজবৰুৱাৰ ‘মোৰ জীৱন সোঁৱৰণ’ৰ কথনভংগী (narrative style) সম্পৰ্কে এটি সমীক্ষামূলক প্ৰবন্ধ লিখা। ১৫

*অথবা*

(খ) “ইংৰাজী সাহিত্যৰ বেকন বা স্মাইলছৰ বস্তুধৰ্মী প্ৰবন্ধ সমূহৰ দৰে সত্যনাথ বৰাৰ প্ৰবন্ধাৱলী নীতিগৰ্ভ উক্তি আৰু ব্যৱহাৰিক উপদেশব্যঞ্জক মন্তব্যৰ দ্বাৰা সমৃদ্ধ।” — সত্যনাথ বৰাৰ ‘বৰলোকৰ চৰিত্ৰ অধ্যয়ন’ শীৰ্ষক পাঠটিৰ আধাৰত উক্ত মন্তব্যটি বিচাৰ কৰা। ১৫

৩। (ক) প্ৰকাশভংগীৰ বৈচিত্ৰ্য আৰু কথনভংগীৰ চাতুৰ্যই কৃষ্ণকান্ত সন্দিকৈৰ ৰচনাক কেনেধৰণে ব্যতিক্ৰমধৰ্মী কৰি তুলিছে, তোমাৰ পাঠৰ আলমত বিচাৰ কৰা। ১৫

*অথবা*

(খ) ‘সৌন্দৰ্যৰ প্ৰতাৰণা’ শীৰ্ষক প্ৰবন্ধটিৰ আলমত বাণীকান্ত কাকতিৰ সমালোচনামূলক ৰচনাৰ গদ্যশৈলীৰ বিশিষ্টতা নিৰূপণ কৰা। ১৫

৪। (ক) অতুল চন্দ্ৰ বৰুৱাৰ গদ্যৰ বৈশিষ্ট্য কি, তোমাৰ পাঠ্যক্ৰমত থকা ৰচনাখনৰ সহায়ত দেখুওৱা। ১৫

*অথবা*

(খ) উত্তৰ-স্বাধীনতা যুগৰ অসমীয়া গদ্যৰ বিকাশত হোমেন বৰগোহাঞিৰ ভূমিকা সম্পৰ্কে তোমাৰ পাঠ্য ৰচনা দুখনৰ বিশেষ উল্লিখনসহ আলোচনা কৰা। ১৫

৫। ***যিকোনো চাৰিটাৰ*** বিষয়ে চমুকৈ লিখা ঃ ৫×৪=২০

(ক) নিধিলিবাই ফাৰৱেলৰ গদ্যৰ বৈশিষ্ট্য

(খ) কালিৰাম মেধিৰ ৰচনাত শব্দ প্ৰয়োগৰ বৈচিত্ৰ্য

(গ) ত্ৰৈলোক্যনাথ গোস্বামীৰ গদ্যৰীতিৰ বিশিষ্টতা

(ঘ) হীৰেন গোহাঁইৰ গদ্যৰ যৌক্তিক ক্ৰমবিন্যাস

(ঙ) অৰুনোদয়ৰ গদ্যৰ শব্দগত বিশেষত্ব

(চ) অতুল চন্দ্ৰ বৰুৱাৰ গদ্যৰ ব্যাখ্যাধৰ্মিতা

*Total number of printed pages–3*

**14 (ASM– 2) 2036**

# 2021

## ASSAMESE

Paper : ASM–2036

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। (ক) অৰুণোদই যুগত ৰচিত অসমীয়া নাটকৰাজিত প্ৰাচ্য আৰু পাশ্চাত্য নাট্যাদৰ্শৰ মিলন সম্পৰ্কে আলোচনা কৰা। ১৫

*অথবা*

(খ) অসমৰ ভ্ৰাম্যমান থিয়েটাৰৰ ইতিহাস আৰু পৰিৱেশন-শৈলী সম্পৰ্কে আলোচনা কৰা। ১৫

২। (ক) 'বঙাল-বঙালনী' নাটকত ঊনবিংশ শতিকাৰ সমাজখনৰ উপস্থাপন আৰু সেই উপস্থাপনৰ আঁৰৰ উদ্দেশ্য সম্পৰ্কে এটা প্ৰবন্ধ লিখা। ১৫

*Contd.*

*অথবা*

(খ) ‘কাৰেঙৰ লিগিৰী’ নাটকত পশ্চিমীয়া নাট্যাদৰ্শৰ প্ৰভাৱ ফঁহিয়াই দেখুওৱা। ১৫

৩। (ক) ‘শ্ৰীনিবাৰণ ভট্টাচাৰ্য’ নাটকৰ শেষত থকা নাটকীয় একোক্তিটোৰ তাৎপৰ্য বিচাৰ কৰা। ১৫

*অথবা*

(খ) মহেন্দ্ৰ বৰঠাকুৰৰ ‘শৰাগুৰি চাপৰি’ নাটকৰ বিষয়বস্তু আৰু আংগিক সম্বন্ধে আলোচনা আগবঢ়োৱা। ১৫

৪। (ক) ঊনবিংশ শতিকাত অসমত প্ৰছেনিয়াম ৰংগমঞ্চৰ উদ্ভৱ বিকাশ কিদৰে ঘটিছিল, দেখুওৱা। ১৫

*অথবা*

(খ) অসমৰ সাম্প্ৰতিক পৰীক্ষামূলক নাট্যকৰ্মৰ এটি আভাস দিয়া। ১৫

৫। চমু টোকা লিখা ঃ ***(যি কোনো চাৰিটা)*** ৫×৪=২০

(ক) অসমীয়া ঐতিহাসিক নাটক

(খ) অপেশাদাৰী নাটক

(গ) ‘গাওঁবুঢ়া’ নাটকৰ শিৰোনাম

(ঘ) চক্ৰধ্বজ সিংহ নাটকত হাস্যৰস

(ঙ) ‘লুইতকন্যা’ নাটকৰ চৰিত্ৰ-চিত্ৰণ

(চ) ফণী তালুকদাৰৰ নাট্যশৈলী

(ছ) অসমৰ প্ৰছেনিয়াম বিৰোধী ৰংগমঞ্চ

(জ) *যিকোনো এখন* নাটকত ব্ৰেখ্‌টৰ নাট্যৰীতিৰ প্ৰভাৱ।

*Total number of printed pages–3*

**14 (ASM–2) 2046**

**2021**

**ASSAMESE**

Paper : ASM–2046

***(Indian Criticism)***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। (ক) আনন্দবৰ্ধন কোন শতিকাৰ আলংকাৰিক ? তেওঁ কাব্যবিচাৰতত্ত্বলৈ আগবঢ়োৱা সংজ্ঞাটি উল্লেখ কৰি ধ্বনিবাদৰ বিষয়ে এটি আলোচনা যুগুত কৰা। ১৫

*অথবা*

(খ) ৰাজানক কুন্তকে আগবঢ়োৱা বক্ৰোক্তিবাদ সম্পৰ্কে এটি পৰ্য্যালোচনা আগবঢ়োৱা। ১৫

২। (ক) ভৰতমুনিয়ে আগবঢ়োৱা ৰসসূত্ৰৰ বিষয়ে বহলাই আলোচনা কৰা। ১৫

*Contd.*

*অথবা*

(খ) কাব্যৰ গুণ কি কি? বামনাচাৰ্যই গুণৰ আধাৰত কিদৰে ৰীতিবাদৰ ধাৰণাটি প্ৰতিষ্ঠা কৰিছিল সেই বিষয়ে এটি টোকা প্ৰস্তুত কৰা। ১৫

৩। (ক) নৱৰসৰ ভিতৰত ভক্তিক ৰস বুলি স্বীকাৰ কৰা হৈছেনে? মধ্যযুগৰ অসমীয়া সাহিত্যত ভক্তিয়ে কেনে ভূমিকা পালন কৰিছে বহলাই লিখা। ১৫

*অথবা*

(খ) বংগদেশৰ ভক্তিবাদী আলংকাৰিকসকলে সাহিত্যত ভক্তিৰ স্বৰূপ কেনেদৰে নিৰূপণ কৰি দেখুৱাইছে আলোচনা কৰা। ১৫

৪। (ক) ভাৰতত দেশীবাদী ধাৰণাই কিদৰে বিকাশ লাভ কৰিলে সেই বিষয়ে এটি আলোচনা আগবঢ়োৱা। ১৫

*অথবা*

(খ) পাশ্চাত্যত সংঘটিত দেশীবাদী আন্দোলনৰ বিষয়ে এটি টোকা লিখা। ১৫

৫। চমুটোকা লিখা ঃ ***(যিকোনো চাৰিটা)*** ৫×৪=২০

(ক) আনন্দবৰ্ধন

(খ) ভৰতমুণি

(গ) ভামহ

(ঘ) মধুসূদন সৰস্বতী

(ঙ) বোপদেৱ

(চ) দেশী আৰু মাৰ্গী সাহিত্য

*Total number of printed pages–3*

**14 (ASM– 2) 2054**

**2021**

**ASSAMESE**

Paper : ASM-2054

*Full Marks : 50*

Time : Two hours

***The figures in the margin indicate full marks for the questions.***

*৮ নং প্ৰশ্নটো বাধ্যতামূলক। বাকী **যিকোনো চাৰিটা** প্ৰশ্নৰ উত্তৰ কৰিবা।*

১। পুৰণি অসমীয়া সাহিত্যৰ পাণ্ডুলিপি প্ৰস্তুত কৰোঁতে লেখন-সামগ্ৰীসমূহ কেনেদৰে আহৰণ কৰা হৈছিল? ছপাযন্ত্ৰ আৱিষ্কাৰৰ পূৰ্বৰ অসমৰ পাণ্ডুলিপি নিৰ্মাণ প্ৰসঙ্গত বিস্তাৰিতভাবে আলোচনা কৰা। ১০

২। গ্ৰন্থ-সম্পাদনাৰ সময়ত সম্পাদক কি কি দিশৰ ওপৰত গুৰুত্ব দিয়া উচিত ? গ্ৰন্থৰ বিষয়বস্তু, আৰু উপস্থাপন কৌশলৰ ক্ষেত্ৰত সম্পাদকৰ ভূমিকা সম্পৰ্কে তোমাৰ পৰামৰ্শ আগবঢ়োৱা। ১০

*Contd.*

৩। পাণ্ডুলিপি প্ৰস্তুতকৰণৰ পৰা আৰম্ভ কৰি গ্ৰন্থ ছপা হৈ ওলোৱালৈকে এখন কি কি স্তৰ অতিক্ৰম কৰিবলগীয়া হয়, প্ৰতিটো স্তৰৰ পৰ্যবেক্ষণত সম্পাদকৰ ভূমিকা সম্পৰ্কে লিখা। ১০

৪। গ্ৰন্থ প্ৰকাশনৰ সৈতে 'প্ৰচাৰ বিভাগ' আৰু বিজ্ঞাপনৰ সম্পৰ্ক কেনেধৰণৰ ? গ্ৰন্থৰ প্ৰচাৰ আৰু প্ৰসাৰত বিজ্ঞাপনৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা। ১০

৫। প্ৰুফ ৰিডিং বুলিলে কি বুজা ? গ্ৰন্থ প্ৰণয়ন আৰু প্ৰকাশনৰ সৈতে ইয়াৰ সম্পৰ্ক কেনেধৰণৰ ? প্ৰুফ ৰিডিঙৰ বাবে কেনেধৰণৰ বিদ্যায়তনিক আৰু ব্যৱহাৰিক যোগ্যতাৰ প্ৰয়োজন ? ১০

৬। গ্ৰন্থৰ শিৰোনাম কেনেদৰে নিৰ্মাণ কৰা হয় ? গ্ৰন্থৰ শিৰোনামৰ সৈতে গ্ৰন্থৰ প্ৰচাৰ আৰু প্ৰসাৰৰ সম্পৰ্ক কেনেধৰণৰ ? ১০

৭। 'সম্পাদকীয় পাতনি' বুলিলে কি বুজা ? সম্পাদকীয় পাতনিয়ে গ্ৰন্থৰ কেনেধৰণৰ প্ৰয়োজন সিদ্ধ কৰে ? পাতনিৰ বিদ্যায়তনিক গুৰুত্ব আৰু গ্ৰন্থৰ লক্ষ্য আৰু উদ্দেশ্য পৰিপূৰণত ইয়াৰ তাৎপৰ্য ব্যাখ্যা কৰা। ১০

৮। চমুটোকা লিখা ঃ ***(যিকোনো দুটা)*** ৫×২=১০

(ক) গ্ৰন্থৰ প্ৰচাৰত বেটুপাতৰ ভূমিকা

(খ) ভাৰতীয় গ্ৰন্থ সম্পাদনাৰ ইতিহাসৰ আৰম্ভণি কাল

(গ) কপি-এডিটিং

(ঘ) মহী-প্ৰস্তুত প্ৰণালী